# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 19-05-2025
**Time :** 1340 hrs

ASSAMESE MIDDAY BULLETIN

## HEADLINES

::::::::::::::::::

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি নীলম সঞ্জীৱ ৰেড্ডীৰ জন্ম বাৰ্ষিকী উপলক্ষে আজি ৰাষ্ট্ৰপতি ভৱনত তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে।

২। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্‌ জয়শংকৰ তিনিখন ৰাষ্ট্ৰৰ ভ্ৰমণসূচীৰে আজি নতুন দিল্লীৰ পৰা ৰাওনা হ'ব।

৩। কেন্দ্ৰীয় বৈদেশিক সচিব বিক্ৰম মিশ্ৰিয়ে ভাৰত আৰু পাকিস্তানৰ মাজৰ সংঘাতক কেন্দ্ৰ কৰি বৈদেশিক নীতিৰ শেহতীয়া দিশসমূহৰ সন্দৰ্ভত আজি সংসদীয় স্থায়ী সমিতিক অৱগত কৰাব।

৪। ৰোমানিয়াৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত বুখাৰেষ্টৰ মেয়ৰ নিকুছৰ ডানে জয়লাভ কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্‌, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি নীলম সঞ্জীৱ ৰেড্ডীৰ জন্ম বাৰ্ষিকী উপলক্ষে আজি ৰাষ্ট্ৰপতি ভৱনত তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। নীলম সঞ্জীৱ ৰেড্ডীয়ে ১৯৭৭ চনৰ ২৫ জুলাইৰ পৰা ১৯৮২ চনৰ ২৫ জুলাই পৰ্যন্ত দেশৰ ষষ্ঠগৰাকী ৰাষ্ট্ৰপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

oooooo

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্‌ জয়শংকৰ তিনিখন ৰাষ্ট্ৰৰ ভ্ৰমণসূচীৰে আজি নতুন দিল্লীৰ পৰা ৰাওনা হ'ব। মন্ত্ৰীগৰাকীৰ নেডাৰলেণ্ডছ্‌, ডেনমাৰ্ক আৰু জাৰ্মানী ভ্ৰমণৰ এই ছদিনীয়া কাৰ্যসূচীৰ বিষয়ে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কালি ঘোষণা কৰে। এই ভ্ৰমণকালত তেওঁ তিনিওখন দেশৰ নেতৃবৰ্গক সাক্ষাৎ কৰাৰ লগতে সংশ্লিষ্ট দেশসমূহৰ বিদেশ মন্ত্ৰীসকলৰ সৈতে সুকীয়া বৈঠকত মিলিত হ'ব। এনে বৈঠকত ড০ জয়শংকৰে দেশ কেইখনৰ সৈতে ভাৰতৰ দ্বিপাক্ষিক সম্পৰ্কৰ সামগ্ৰিক বিষয়ৰ লগতে পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় সকলো ধৰণৰ বিষয় লৈ আলোচনা কৰিব। তেওঁৰ এই ভ্ৰমণক ইউৰোপৰ আগশাৰীৰ মিত্ৰ দেশসমূহৰ সৈতে ভাৰতৰ কৌশলগত সম্পৰ্ক, বাণিজ্য, বিনিয়োগ তথা পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহৰ দিশৰ সহযোগিতা বৃদ্ধিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ কূটনৈতিক পদক্ষেপ হিচাপে অভিহিত কৰা হৈছে।

oooooo

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ দপ্তৰৰ মন্ত্ৰী পীয়ুষ গোৱেলে কয়, যে ৰাজহুৱা বেপাৰ-বাণিজ্যৰ ডিজিটেল মঞ্চ Government e Marketplace চমুকৈ GeM, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিকশিত ভাৰত ২০৪৭ অভিযানৰ লক্ষ্যৰ পথত গুৰুত্বপূৰ্ণ কাৰক হিচাপে পৰিগণিত হৈছে। এখন ইংৰাজী দৈনিক

কাকতত লিখা এটা নিবন্ধত মন্ত্ৰীগৰাকীয়ে কয়, যে এই মঞ্চৰ জৰিয়তে বজাৰত প্ৰৱেশৰ অন্তৰায়সমূহ দূৰ হোৱাৰ লগতে দুৰ্নীতি নিৰ্মূল হৈছে। তদুপৰি এই ব্যৱস্থাৰ ফলত বিশেষকৈ সৰু সৰু চহৰসমূহত উপান্ত শ্ৰেণীৰ লোকসকলৰ সৱলীকৰণ আৰু উন্নতি সাধনৰ লগতে কৰদাতাসকলৰ বৃহৎ পৰিমাণৰ ধন সঞ্চয় হোৱাটো সম্ভৱপৰ হৈ উঠিছে।

০০০০০০

মহাৰাষ্ট্ৰৰ মুম্বাই-গোৱা ঘাইপথত আজি সংঘটিত এটা পথ দৰ্ঘটনাত ৫ জন লোকে প্ৰাণ হেৰুৱায়। ঘাইপথটোৰে গৈ থকা অৱস্থাত এখন গাড়ী ৰত্নগিৰিৰ ওচৰত জগবুদি নৈত বুৰ যোৱাৰ ফলত এই লোক কেইজন মৃত্যু মুখত পৰে। পথ দুৰ্ঘটনাটোত গাড়ীখনৰ চালকজন গুৰুতৰভাৱে আহত হয়। দুৰ্ভগীয় লোককেইজন গাড়ীখনেৰে মুম্বাইৰ পৰা দেৱৰুখ অভিমুখে গৈ থকা অৱস্থাত গাড়ীখনে নিয়ন্ত্ৰণ হেৰুওৱাৰ ফলত এই দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাস্থলীত ততাতৈয়াকৈ উপস্থিত হোৱা উদ্ধাৰকাৰীৰ দলে স্থানীয় লোকৰ সহায়ত উদ্ধাৰ অভিযান আৰম্ভ কৰে আৰু আহত চালকজনৰ এখন স্থানীয় চিকিৎসালয়ত ভৰ্তি কৰায়। দুৰ্ঘটনাটোৰ কাৰণ সন্দৰ্ভত আৰক্ষীয়ে অনুসন্ধান আৰম্ভ কৰিছে।

০০০০০০

বেলুচিস্তানৰ কিল্লা আব্দুল্লা জিলাৰ জববৰ মাৰ্কেটৰ কাষৰীয়া এলেকাত কালি সংঘটিত এটা বিস্ফোৰণত ৪ জন লোক নিহত হোৱাৰ লগতে আন কুৰিজন লোক আহত হয়। এই বিস্ফোৰণৰ ফলত এটা ভৱন বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱাৰ লগতে কেউদিশে আতংক বিয়পি পৰে। এই বিস্ফোৰণত কেইবাখনো দোকান ভাগি পৰাৰ লগতে অগ্নিকাণ্ডও সংঘটিত হয়।

এই বিস্ফোৰণৰ পাছতেই অচিনাক্ত আক্ৰমণকাৰী আৰু সুৰক্ষা কৰ্মীৰ মাজত কিছুসময়ৰ বাবে গুলীয়াগুলিও সংঘটিত হয়। পাছত আইন ৰক্ষাকাৰীৰ দলে অঞ্চলটো ছিল কৰি দি ব্যাপক তালাচী আৰু উদ্ধাৰ অভিযান আৰম্ভ কৰে।

০০০০০০

জম্মু-কাশ্মীৰৰ দুখন সীমান্ত জিলা ৰাজৌৰি আৰু পুঞ্চত নিৰাপত্তা বাহিনীয়ে আজি যুটীয়া তালাচী অভিযান আৰম্ভ কৰিছে। আমাৰ জম্মুৰ সংবাদদাতাই জনোৱা মতে ৰাজৌৰি জিলাত সন্দেহজনক লোকৰ গতিবিধি প্ৰত্যক্ষ কৰাৰ পৰিপ্ৰেক্ষিতত এই অভিযান আৰম্ভ কৰা হৈছে। উল্লেখযোগ্য যে যোৱা নিশা এগৰাকী মহিলাই নৌচেৰা এলেকাত ৩ জন সন্দেহজনক লোকক প্ৰত্যক্ষ কৰাৰ ভিত্তিতে অঞ্চলটোত এই অভিযান আৰম্ভ কৰা হৈছে। আনখন সীমান্ত জিলা পুঞ্চৰ বনাঞ্চলতো একে অভিযান চলোৱা হৈছে। নিৰাপত্তা বাহিনীৰ এটা যুটীয়া দলে এই অভিযানৰ নেতৃত্ব দিছে।

০০০০০০

কেন্দ্ৰীয় বৈদেশিক সচিব বিক্ৰম মিশ্ৰিয়ে ভাৰত আৰু পাকিস্তানৰ মাজৰ সংঘাতক কেন্দ্ৰ কৰি বৈদেশিক নীতিৰ শেহতীয়া দিশসমূহৰ সন্দৰ্ভত আজি সংসদীয় স্থায়ী সমিতিক অৱগত কৰাব। বৈদেশিক সচিবগৰাকীয়ে অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী পৰ্যায়ৰ যুদ্ধবিৰতিৰ বিষয়েও সংসদীয় স্থায়ী সমিতিৰ সদস্যসকলৰ আগত ব্যাখ্যা কৰাৰ সম্ভাৱনা আছে। তদুপৰি তেওঁ দেশৰ সামুদ্ৰিক পথৰ নিৰাপত্তাৰ সন্দৰ্ভত বৈদেশিক পৰিক্ৰমা আৰু প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ প্ৰতিনিধিসকলে সংগ্ৰহ কৰা তথ্যৰ বিষয়েও সমিতিৰ সদস্যসকলৰ আগত ব্যাখ্যা কৰিব।

০০০০০০

ইজিপ্তৰ ৰাষ্ট্ৰপতি আব্দেল ফাতাহ আল চিচিয়ে গাজাষ্ট্ৰীপত তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ যুদ্ধ বিৰতিৰ বাবে আহ্বান জনাইছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভ্ৰমণকাৰী বিষয়া এগৰাকীৰ সৈতে হোৱা বৈঠকত যুদ্ধ বিধবস্ত অঞ্চলটোলৈ মানৱীয় সাহায্যৰ যোগান ত্বৰান্বিত কৰাৰ উদ্দেশ্যৰে এই যুদ্ধ বিৰতি কাৰ্যকৰী কৰাৰ বাবে তেওঁ আহ্বান জনায়। আফ্ৰিকাৰ দায়িত্বত থকা মাৰ্কিন জ্যেষ্ঠ উপদেষ্টা তথা দেশখনৰ আৰব আৰু মধ্যপ্ৰাচ্য সম্পৰ্কীয় ৰাষ্ট্ৰপতিৰ উপদেষ্টা মাছাদ বৌলছৰ সৈতে কাইৰোত অনুষ্ঠিত বৈঠকত তেওঁ এই আহ্বান জনায়।

ইজিপ্তৰ ৰাষ্ট্ৰপতিৰ কাৰ্যালয়ৰ পৰা প্ৰকাশ কৰা এটা বিবৃতিত এই বিষয়ে উল্লেখ কৰি কোৱা হৈছে যে, এই বৈঠকত উভয় পক্ষই মধ্যপ্ৰাচ্যৰ শেহতীয়া ঘটনাৱলীৰ লগতে অঞ্চলটোলৈ সুস্থিৰতা ওভতাই অনাৰ উপায় সন্দৰ্ভত আলোচনা কৰে।

০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ৫ দিনত উত্তৰ-পূৰ্বাঞ্চলৰ লগতে হিমালয়ৰ পাদদেশৰ পশ্চিমবংগ আৰু ছিকিমত বিজুলি ঢেৰেকণিৰ সৈতে ধাৰাষাৰৰ পৰা অতি প্ৰবল বৰষুণৰ আগলি বতৰা দিছে। এই সময়ছোৱাত কোংকাণ, গোৱা, কৰ্ণাটক আৰু কেৰালাৰ কাষৰীয়া উপকূলীয় অঞ্চলসমূহতো ধাৰাষাৰ বৰষুণ হ'ব। বিভাগে লগতে জম্মু-কাশ্মীৰ, লাডাখ, গিলগিট বাল্টিস্তান, মুজাফ্ফৰবাদ আৰু হিমাচল প্ৰদেশতো আজি আৰু কাইলৈ বতাহ, আৰু বিজুলী গাজনিৰে সৈতে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ'ব পাৰে বুলি আগজাননী দিছে। উত্তৰাখণ্ডতো ঠায়ে ঠায়ে অহা ২৪ মে'লৈকে মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ মতে, ২২ মে'ৰ আশে-পাশে কৰ্ণাটক উপকূলৰ পূব মধ্য আৰব সাগৰৰ ওপৰত নিম্ন চাপ হোৱাৰ সম্ভাৱনা আছে। উত্তৰ দিশলৈ এই নিম্ন চাপ ক্ৰমে তীব্ৰতৰ হৈ মহাৰাষ্ট্ৰৰ বতৰত যথেষ্ট পৰিৱৰ্তন হোৱাৰ সম্ভাৱনা আছে। মহাৰাষ্ট্ৰ উপকূলত বিশেষকৈ কোংকান আৰু গোৱাৰ সমীপত ধুমুহা-বৰষুণৰ সম্ভাৱনা থকাৰ বাবে অহা ৫ দিনৰ বাবে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে মাছমৰীয়াসকলৰ বাবে সতৰ্কবাণী জাৰি কৰিছে।

০০০০০০

ৰোমানিয়াৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত বুখাৰেষ্টৰ মেয়ৰ নিকুছৰ ডানে জয়লাভ কৰিছে। এই নিৰ্বাচনত তেওঁ ৫৪ শতাংশ ভোট লাভ কৰাৰ বিপৰীতে সোপন্থী প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী জৰ্জ ছিমিয়নে ৪৬ শতাংশ ভোট লাভ কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত নৱনিৰ্বাচিত ৰাষ্ট্ৰপতিগৰাকীয়ে এই বিজয়ক অভূতপূৰ্ব সংগঠিত প্ৰয়াসৰ সুফল বুলি অভিহিত কৰি নিজৰ নিজৰ বক্তব্য উপস্থাপন কৰা প্ৰতিগৰাকী নাগৰিকক ইয়াৰ কৃতিত্ব প্ৰদান কৰে।

০০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ড বি চি চি আয়ে ভাৰত আৰু পাকিস্তানৰ মাজত চলি থকা উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এছিয়ান ক্ৰিকেট কাউন্সিলৰ দুখনকৈ খেলত অংশগ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছে। ইয়াৰে এখন খেল অহা মাহত শ্ৰীলংকাত হ'বলগীয়া ইমাৰ্জিং টিমছ এছিয়া কাপ আৰু আনখন হৈছে ভাৰতত অহা ছেপ্তেম্বৰত হ'বলগীয়া পুৰুষৰ এছিয়া কাপ। ইয়াৰ পূৰ্বেও ২০২৩ চনত পাকিস্তানত অনুষ্ঠিত এছিয়া কাপত ভাৰতে পাকিস্তানত খেলিবলৈ অস্বীকাৰ কৰিছিল। যাৰ বাবে ফাইনেলকে ধৰি ভাৰতৰ খেলসমহূ শ্ৰীলংকাত খেলোৱা হৈছিল।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্নৌ ছুপাৰ জায়েণ্টছ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। লক্ষ্নৌৰ ভাৰতৰত্ন শ্ৰীঅটল বিহাৰী বাজপেয়ী একানা ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত খেলখন আৰম্ভ হ'ব।

ইপিনে, ৰাজস্থানৰ ছাৱাই মানসিং ষ্টেডিয়ামত কালি অনুষ্ঠিত  এখন খেলত পাঞ্জাব কিংছে ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে ১০ ৰাণত জয়লাভ কৰে। খেলখনত পাঞ্জাব কিংছে টছত জিকি প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেটৰ বিনিময়ত ২১৯ ৰান সংগ্ৰহ কৰে।

যোৱা নিশা অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত আন এখন খেলত গুজৰাট টাইটানছে দেলহী কেপিটেলছক ১০ উইকেটত পৰাস্ত কৰে। জয়ৰ বাবে ২০০ ৰানৰ লক্ষ্য অনুসৰণ কৰি গুজৰাটৰ অপেনিং যুটী ছাই সুদৰ্শন আৰু অধিনায়ক শুভমন গিল দেলহী কেপিটেলছৰ বলিং আক্ৰমণক ধৰাশায়ী কৰি অপৰাজিত হৈ ৰয়।

০০০০০০

অৰুণাচল প্ৰদেশৰ ইউপিয়াত অনুষ্ঠিত ১৯ বছৰ অনূৰ্ধ দক্ষিণ এছীয় ফুটবল ফেডাৰেচন, ছাফ ফুটবল প্ৰতিযোগিতাত ভাৰতে বাংলাদেশক পেনাল্টি শ্বুট আউটৰ সহায়ত ৪-৩ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। কালিৰ উত্তেজনাপূৰ্ণ খেলখনত যোৱাবাৰৰ বিজয়ী ভাৰতৰ অধিনায়ক ছিংগামায়ুম শ্বামীয়ে খেলৰ দ্বিতীয় মিনিটতে প্ৰথমটো গ'ল দিয়ে। ইয়াৰ পাছত ৬১ মিনিটত বাংলাদেশে এটা গ'ল দি খেলখনত সমতা স্থাপন কৰে। শেষলৈকে খেলখন ১-১ গ'লত অমীমাংসিত হৈ থকাৰ ফলত পেনাল্টি শ্বুট আউটৰ সহায় ল'বলগীয়া হয়।

০০০০০০

**সমাপ্ত**